# ধুবুৰীৰ

## ঐতিহ্য আৰু সংস্কৃতি

অসম কলেজ শিক্ষক সংস্থা




সম্পাদক

ড° অলকা শৰ্মা

*"**DHUBURIR AITIJYA ARU SANSKRITI**" A Publication of essays illuminating the historical, geographical, cultural, educational and socio-economic aspects of Dhubri district edited by* ***Dr. Alaka Sarma,*** *Asstt. Professor, Deptt. of Assamese, B.N. College, Dhubri and published by* ***Tulasi Das,*** *General Secretary, Assam College Teacher's Association, ACTA, Solapar, Guwahati-781008, Assam and Panchajanya Books, Saraswati Road, Panbazar, Guwahati-1*

ISBN : 978-81-936621-4-4

Copy Right
**Assam College Teachers' Association**

Publisher
**Prof. Tulsi Das**, General Secretary
**Assam College Teachers' Association**

**Panchajanya Books**
Saraswati Road, Panbazar, Guwahati-1

Year of Publication
**January, 2018**

DTP : Joydeep Bhattacharjee & Arjun Chouhan

Cover : Dr. Upendrajit Sarma

Price : Rs. 300/-

Printed at :
Shri Ganesh Printers
Sankardev Market, Noonmati, Guwahati-20
Phone : 9707010889

| | | পৃষ্ঠা |
|---|---|---|
| ভূমিকা | | |
| আন্তৰ্জাতিক প্ৰেক্ষাপটত আশাৰীকান্দি গাঁৱৰ টেৰাকোটা শিল্প | - প্ৰণৱ কুমাৰ বৰ্মন | ১৬৭ |
| পশ্চিম অসমৰ ধুবুৰী জিলাৰ ঐতিহ্যময় লোকশিল্প | - ড° অনুৰাধা শৰ্মা | ১৭১ |
| ধুবুৰী জিলাৰ বাতৰি কাকতৰ ৰেহৰূপ | - ভূবন শইকীয়া | ১৭৬ |
| শিক্ষা-সংস্কৃতি আৰু গৌৰীপুৰ ৰাজপৰিয়াল | - প্ৰবীৰ কুমাৰ বৰুৱা | ১৮৪ |
| ধুবুৰী জিলাৰ আৰ্থ সামাজিক অৱস্থা ঃ এটি চমু আলেখ্য | - জাকিৰ হুচেইন | ১৯৩ |
| পশ্চিম অসমৰ লোকগীতত প্ৰেমৰ স্বৰূপ | - কৰুণা কান্ত শৰ্মা | ২০৫ |
| পশ্চিম অসমৰ চৰ-চাপৰিৰ লোকগীত | - ৰাখী কলিতা | ২১৫ |
| গোৱালপাৰীয়া লোককলা আৰু ইয়াৰ বজাৰ বিপণন ঃ এক চমু ক্ষেত্ৰ অধ্যয়ন | - ড° কিংশুক চক্ৰৱৰ্তী | ২২১ |
| Political History of Western Assam | - Lakhima Hazarika | ২২৯ |
| Charak Puja of Undivided Goalpara, a Dalit Folk Narrative : An Analysis in Post-Modern Condition of Society | - Gopal Ch. Barman | ২৫২ |

# আন্তৰ্জাতিক প্ৰেক্ষাপটত আশাৰীকান্দি গাঁৱৰ টেৰাকোটা শিল্প

✦ *প্ৰণৱ কুমাৰ বৰ্মন*

লেটিন আৰু ইটালীয় ভাষাৰ সংমিশ্ৰণত গঢ়লৈ সৃষ্টি হোৱা টেৰাকোটা শব্দটোৰ মূল অৰ্থ হ'ল পোৰামাটিৰ শিল্প অৰ্থাৎ মৃৎ শিল্প। লেটিন শব্দ "টেৰা" (Terra) মানে মাটি বা বোকা আৰু ইটালীয় "কোটা" (Cotta) শব্দৰ অৰ্থ হল মূৰ্ত্তি। আদিম সভ্যতাৰ পাত লুটিয়াই চালে আমি বিচাৰি পাওঁ যে নিজৰ মনৰ মাজত লুকাই থকা আনন্দৰ বহিঃ প্ৰকাশ ঘটাবলৈ মানুহে যিদৰে গীত-সংগীত, নৃত্য, অভিনয়, কবিতা, গল্প ইত্যাদিক মাধ্যম হিচাপে লৈ আদিম অৱস্থাৰ পৰা সভ্য জগতলৈ ঢাপলি মেলিছে, তেনেদৰে কুমাৰ বা মৃৎশিল্পীসকলে নিজৰ মনত অভিব্যক্তবোৰ সুন্দৰৰ পূজাৰী হৈ মাটিৰ কোমল পৰশত বিভিন্ন ধৰণৰ পুতলা, চৰাই, জীৱ-জন্তু, পাত্ৰ আৰু মানৱমূৰ্ত্তিৰ ৰূপত প্ৰকাশ কৰিবলৈ সক্ষম হৈছে। কৃষি বা চিকাৰ কাৰ্যত পুৰুষসকলে ব্যস্ত হৈ থকা সময়ত কামৰ পৰা আজৰি হৈ নাৰীসকলে কোমল মাটিৰ লাড়ু বনাই শিল্পীৰ হাত আৰু হৃদয়েৰে মনৰ কল্পনাৰাজি আৰু শিল্পীসুলভ পৰশেৰে গঢ় দিছিল গৃহ দেৱতাৰ মূৰ্ত্তি আৰু অকণিহঁতৰ ওমলোৱা নানা ধৰণৰ ফিগাৰিল বা খেলনাৰ বস্তু। এনে ভাস্কৰ্য শেষলৈ পৰম্পৰাগত গৃহিণীসকলে বনোৱা মূৰ্ত্তিবোৰৰ মাজত দেখিবলৈ পোৱা যায়। নিদৰ্শনৰূপে উত্তৰ ভাৰতৰ সৰহ ভাগ ঠাইত নৱৰাত্ৰিৰ সময়ত গৃহিণীসকলে তৈয়াৰ কৰা "সাঞ্জিত" মূৰ্ত্তিবোৰৰ কথা আঙুলিয়াই দিব পাৰি। এই মৃৎ শিল্পবোৰত পৃথিৱীৰ প্ৰায়বোৰ প্ৰাচীন সভ্যতাৰ প্ৰচুৰ ব্যৱহাৰৰ দিশ পোৱা যায়। পোৰামাটিৰ মূৰ্ত্তি দুখীয়া সকলৰ ভাস্কৰ্য্য হিচাপে চিহ্নত কৰা হয়। মানুহে মাটিৰ সাঁচ সৃষ্টি কৰাৰ ই আটাইতকৈ প্ৰাচীন মাধ্যম। আদিম যুগত অৱচেতনাভাৱে এই শিল্প এক শীৰ্ষস্থান দখল কৰিছিল। ঐতিহ্য আৰু সৌন্দৰ্য্য বোধে এই শিল্পক অধিকতৰ সমৃদ্ধ কৰিছে। সময়ৰ গতিৰ লগত এই শিল্পই নানা ৰূপত বিকশিত হয়। বৰ্তমান কালত চীন

আৰু কোৰিয়াত উদ্ভাৱন কৰা চকচকীয়া মাটিৰ পাত্ৰই মৃৎ শিল্পীসকলক এক নতুন দিগন্তৰ সূচনা কৰিলে। স্মৰ্তব্য যে পাৰস্য দেশৰ মৃৎ শিল্পীবোৰে নানা ধৰণৰ নতুন নতুন চিত্ৰৰ নমুনা আৰু চকচকীয়া কৰা অভিনৱ কৌশল প্ৰয়োগ কৰি ভাৰতীয় মৃৎ শিল্পক অধিক উন্নত কৰিলে।

পশ্চিম অসমৰ সীমান্ত ধুবুৰী জিলাৰ গৌৰীপুৰ চহৰৰ পৰা মাত্ৰ চাৰি কিলোমিটাৰ নিলগত অৱস্থিত আশাৰীকান্দি গাঁও শিল্প, শিক্ষা আৰু সাহিত্যত অভিলেখ সৃষ্টি কৰি বাতৰি কাকতৰ শিৰোনামা দখল কৰা আন্তৰ্জাতিক পৰ্যায়তো বৰ সুনাম। এই সুনাম কঢ়িয়াই আনে ঘাইকৈ ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰাপ্ত স্বৰ্গীয় সৰলাবালা দেৱী, আন্তৰ্জাতিক খ্যাতিসম্পন্ন মৃৎ শিল্পী ধীৰেন্দ্ৰ নাথ পাল, ৰাষ্ট্ৰীয় শিল্পী মহাদেৱ পাল, হিতেন্দ্ৰ নাথ বৰ্মন, স্বৰ্গীয় নিমাই ঢোপা বৰ্মন ইত্যাদি। স্বৰ্গীয় সৰলা বালা আৰু নিমাই ঢোপা বৰ্মনক এই গাঁৱৰ শিল্পজগতৰ বাটকটীয়া বুলি কব পাৰি। (কোনো পৃষ্ঠপোষক নথকাৰ বাবে স্বৰ্গীয় নিমাই ঢোপা বৰ্মনৰ নিপুণ হাতৰ শিল্পবোৰ প্ৰচাৰ আৰু প্ৰসাৰ নহ'ল) আশাৰীকান্দি গাঁৱৰ মৃৎ শিল্প আৰু ভাস্কৰ্যৰ লগত সিন্ধু সভ্যতাৰ মৃৎ শিল্পৰ লগত যথেষ্ট মিল আছে। তদুপৰি বাংলাদেশৰ শ্ৰীহট্ট, মৈমন সিং, ৰংপুৰ, টাংগাইল, জামালপুৰ, পশ্চিম বংগৰ কোচবিহাৰ, জলপাইগুৰি আৰু অসমৰ ৰামদিয়াৰ গোটা সিজীয়া মাটিৰ পুতলা, হাৰিয়ানাৰ মুখৰ অৱয়ৱহীন নাৰীমূৰ্ত্তি, প্ৰাচীন ইৰান আৰু ইউৰোপৰ নাৰী মূৰ্ত্তিৰ লগত মিল থকাটো মন কৰিবলগীয়া। সম্প্ৰতি আশাৰীকান্দিৰ মাটিৰ কোমল পৰশত বিভিন্ন ঠাইত সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে শিল্পী ধীৰেন্দ্ৰ নাথ পাল আৰু মহাদেৱ পাল ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত বহু শিল্প প্ৰদৰ্শন কৰি নানা ধৰণৰ পুৰস্কাৰ আৰু প্ৰশংসা পত্ৰ বুটলি আনি অসমৰ সুনাম কঢ়িয়াই আনে। বৰ্ত্তমানে বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰা এই শিল্পৰ ওপৰত গৱেষণা কৰিবৰ বাবে চৰকাৰৰ ফালৰ পৰা পৰ্যটকসকলৰ থকা-মেলাৰ বাবে এটা "টুৰিষ্ট লজো" নিৰ্মাণ কৰিছে।

সুদুৰ বাংলাদেশৰ পাবনা জিলাৰ গাৰাদহত ১৯১৮ চনত জন্ম গ্ৰহণ
কৰিলেও সৰলা বালা দেৱী মাটিৰ মোহত জীৱনৰ সংস্থান বিচাৰি অমৰাৱতী
অসমৰ বুকুত স্বামী স্বৰ্গীয় কুঞ্জলালৰ সৈতে আশাৰীকান্দি গাঁৱত স্বাধীনতাৰ
আগতেই নিগাজীকৈ থিতাপি লয়। তেতিয়াৰ পৰাই আশাৰীকান্দি গাঁৱত
টেৰাকোট্টা শিল্প গঢ়ি উঠে। গৌৰীপুৰ ৰাজপৰিয়ালৰ শ্ৰীমতী নীলিমা বৰুৱাৰ
পৃষ্ঠপোষকতাত এই শিল্প দেশ-বিদেশৰ বহুতো ঠাইত প্ৰচাৰ আৰু প্ৰসাৰ হয়।
যিকি নহওক ১৯৪৫ চনত শিল্পী ধীৰেন্দ্ৰ নাথ পালে আশাৰীকান্দি গাঁৱত জন্ম
লাভ কৰি মাতৃ সৰলা বালা আৰু পিতৃ কুঞ্জলালৰ সৈতে এই শিল্পৰ ওপৰত
মনোযোগ দিয়ে। তেওঁ (ধীৰেন্দ্ৰ পাল) ১৯৭৫ চনত জিলা উদ্যোগ কেন্দ্ৰ আৰু
নিখিল ভাৰত হস্তশিল্প আয়োগৰ সহযোগত পোন প্ৰথমে বাণিজ্য মেলাত
যোগদান কৰে। তাৰ পিছত ১৯৭৮ চনত দিল্লী, ১৯৭৯ চনত কলিকতা, ১৯৮০
চনত বোম্বে (বৰ্তমান মুম্বাই), ১৯৮১ চনত মাদ্ৰাজৰ (বৰ্তমান চেন্নাই) ললিত
কলা একাডেমীত হস্তশিল্প Demonstration Programme ত যোগদান কৰে।
১৯৮২ চনত দিল্লীৰ প্ৰগতি ময়দানত আন্তৰ্জাতিক বাণিজ্য মেলাত ধীৰেন্দ্ৰ নাথ
পাল আৰু মাতৃ সৰলাবালাই যোগদান কৰে। এই বাণিজ্য মেলাতেই মৃৎ শিল্পী
সৰলাবালা দেৱীক ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰদান কৰে। ১৯৯৬ চনৰ ২৩ নৱেম্বৰত
সৰলা বালা দেৱীৰ পৰলোক প্ৰাপ্তি ঘটে কিন্তু মৃত্যুৰ আগদিনালৈ মাহেকত পাঁচশ
টকাকৈ শিল্পী পেঞ্চন পাই আছিল। ১৯৮৮ চনত ধীৰেন্দ্ৰ পালে ছাৰ্ক (SAARC)
সন্মিলনত যোগদান কৰি মানপত্ৰ অৰ্জন কৰে। ১৯৮৪ চনত শিল্প প্ৰদৰ্শন কৰাৰ
বাবে আমেৰিকাৰ নিউয়ৰ্ক চহৰলৈ আমন্ত্ৰিত হৈছিল যদিও বিশেষ অসুবিধাত
যাব নোৱাৰিলে। ১৯৮৭ চনত ইউৰোপ ভ্ৰমণৰ উপৰিও ছুইডেন, ডেনমাৰ্ক,
জাৰ্মান ভ্ৰমণ কৰি আশাৰীকান্দিৰ মৃৎ শিল্পক আন্তৰ্জাতিক প্ৰেক্ষাপটত চিনাকি
কৰি আশাৰীকান্দিৰ মৃৎ শিল্পক আন্তৰ্জাতিক প্ৰেক্ষাপটত চিনাকি কৰি দিলে।

তদুপৰি শিল্পী মহাদেৱ পাল ১৯৬৫ চনত আশাৰীকান্দি গাঁৱত জন্ম
লাভ কৰি পিতৃ-মাতৃৰ লগত পোৱামাটিৰ ওপৰত মন-প্ৰাণ সপি দি সংঘাত আৰু

সংগ্ৰামৰ জীৱনক আঁকোৱালি ললে। তেওঁ (মহাদেৱ পাল) ৩৭তম নিখিল ভাৰত হস্তশিল্প সপ্তাহ মেলাত নিজৰ মাটিৰ শিল্পবোৰ প্ৰদৰ্শণ কৰি মৃৎ-শিল্পত অসমৰ ভিতৰত প্ৰথম স্থান অধিকাৰ কৰে। এই ভাস্কৰ্য শিল্পৰ বাবে ১৯৭৯-৮০ চনত নতুন দিল্লীত ৰাষ্ট্ৰীয় বাণিজ্য মেলাত ভাৰত চৰকাৰৰ তৰফৰ পৰা আমন্ত্ৰণ পাই মহাদেৱ পালে অংশ গ্ৰহণ কৰে। ১৯৮৬ চনত নতুন দিল্লীত ৰাষ্ট্ৰীয় সাংস্কৃতিক উৎসৱ ভাৰত চৰকাৰৰ (সাংস্কৃতিক বিভাগ) দ্বাৰা আয়োজিত বাণিজ্য মেলাত শিল্প প্ৰদৰ্শন কৰে আৰু ১৯৯৬ চনত মাদ্ৰাজৰ হস্তশিল্প মেলাত অংশ গ্ৰহণ কৰি অসমীয়া শিল্পী হিচাপে চিনাকি দি অসমৰ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হয়। ১৯৮৩ চনত দিল্লীৰ প্ৰগতি মৈদানত বাণিজ্য মেলা, ১৯৮৮ চনত "North-East Zone Culture Centre (ডিমাপুৰ) ৰ কৰ্মশালা, ১৯৯৮ চনত UNESCO ৰ উদ্যোগত South Asian Tribal and Falk Artists" (ডিমাপুৰ) শীৰ্ষক কৰ্মশালাতো অংশ গ্ৰহণ কৰে। ১৯৯১ চনত মহাদেৱ পালে State Award to Handicraft Artisan বঁটা লাভ কৰে।

সম্প্ৰতি গুৱাহাটী মহানগৰৰ বামুনি মৈদানত থাকি মৃৎ শিল্পী হিতেন্দ্ৰ নাথ বৰ্মনে নানা ধৰণৰ পূজাৰ মূৰ্ত্তি আৰু নান ধৰণৰ মূৰ্ত্তি তৈয়াৰ কৰিছে। এই শিল্পী গৰাকীও এই গাঁৱতেই জন্ম লাভ কৰে। বৰ্ত্তমান এই গাঁৱৰ মৃত্তিকা শিল্প ভাৰত তথা আন্তৰ্জাতিক বজাৰত বিক্ৰী হৈ আছে। সেয়েহে বিশেষ শিল্পী গাঁও হিচাপে ভাৰতৰ মানচিত্ৰত এই গাঁওখন চিহ্নিত হৈছে। এই টেৰাকোটা শিল্পৰ ওপৰত প্ৰায় দুশটা পাল পৰিয়াল আৰু আন আন সম্প্ৰদায়ৰ মানুহে জীৱিকা নিৰ্বাহ কৰি আছে। আনকি এই মৃৎ শিল্পৰ বাবে এই গাঁওখন দিল্লী দূৰদৰ্শনৰ "সুৰভিত" স্থান পোৱাটো আমাৰ বাবে বৰ গৌৰৱৰ বিষয়। স্মৰ্তব্য যে উদীয়মান শিল্পী গোকুল পাল, অশ্বিনী পাল, দেৱদাস পাল ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত মৃৎশিল্প প্ৰদৰ্শন কৰি প্ৰশংসা লাভ কৰিবলৈ সক্ষম হৈছে। যোৱা ২৬ মাৰ্চত ধীৰেন নাথ পালক তৰুণ দুৱৰা বঁটা (২০১৭ বৰ্ষৰ) গুৱাহাটী আৰ্টিষ্টছ গীল্ডে শিল্পী বঁটা প্ৰদান কৰে আৰু আমাৰ জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনে। ❑